# MA 3rd Semester Examination 2013

বিষয় ঃ অসমীয়া

কাকত ঃ একাদশ (পালি-প্ৰাকৃত অপভ্ৰংশ ভাষাপাঠ আৰু তুলনামূলক ব্যাকৰণ)

(ভাষা শাখা)

সময় ঃ ৩ ঘণ্টা　　　　　　　　　　　　　　　　　　মুঠ নম্বৰ ঃ ৮০

১. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক।
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত)　　　　২×৫ = ১০

(ক) অশোকৰ অনুশাসনসমূহৰ ভাষাক কি কি আঞ্চলিক ৰূপত ভাগ কৰা হৈছে?

(খ) 'ধম্মপদ' কোনখন মূল শাস্ত্ৰৰ অন্তৰ্গত? 'ধম্মপদ'ত মুঠ কিমানটা গাথা সন্নিৱিষ্ট হৈছে?

(গ) 'গাহাসত্তসই'ৰ সংস্কৃত নাম কি? ইয়াৰ সংকলক কোন?

(ঘ) অপভ্ৰংশ ভাষাত 'সন্দেশ ৰাসক' কি নামেৰে জনাজাত? ইয়াৰ ৰচকগৰাকীৰ নাম কি?

(ঙ) বিদ্যাপতিয়ে পৃষ্ঠপোষকতা লাভ কৰা ৰজাজনৰ নাম কি? তেওঁ ক'ৰ ৰজা আছিল?

(চ) পালি ভাষাৰ মিশ্ৰ বা বমিস্‌সিক সন্ধিৰ চাৰিটা উদাহৰণ উল্লেখ কৰক।

(ছ) অপভ্ৰংশ ভাষাৰ কেইটা আৰু কি কি উপভাষা পোৱা গৈছে?

২. তলত দিয়া যিকোনো তিনিছোৱা সৰল অসমীয়ালৈ অনুবাদ কৰক, লগতে তলত আঁচ টনা যিকোনো তিনিটা শব্দৰ সংস্কৃত ৰূপ নিৰ্ণয় কৰি অসমীয়া অৰ্থ লিখকঃ
(৩×৩) + (১×৩) =১২

(ক) ইয়ং <u>ধংমলিপী</u> দেৱানংপ্ৰিয়েন প্ৰিয়দসিনা ৰাঞা লেখাপিতা।

ইধ ন কিংচি জীৱং আৰভিত্পা প্ৰজুহিত্ব্যং।
ন চ সমাজো কৰ্তব্বো।

(খ) দুগ্নিগ্গহস্স লহুনো যথ কামনিপাতিনো,
চিত্তস্স দমথো সাধু চিত্তং দন্তং সুখাৱহং।

(গ) অধ একদিঅশং মএ লোহিদমশ্চকে খণ্ডশো কপ্পিদে।
যাৱ তশ্শ উদলব্ভন্তলে এদং মহালদনভাশুলং অঙ্গুলীঅং পেস্কামি।

(ঘ) কইঅব ৰহিঅং পেম্মংণত্থি ব্বিঅ মামি মানুসে লোএ।
অহ হোই কস্স বিৰহোবিৰহে হোন্তম্মি কে জীঅই।।

(ঙ) ইম মুদ্ধহ বিলংৰতিয়হ মহি চলনেহি ছিহংতু।
অদ্ধুড্ডীণউ তিনি পহিউ পহি জোয়উ পৰহংতু।।

৩. তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২০০-২৫০ টা শব্দৰ ভিতৰত) ৬×৩ = ১৮

(ক) সংস্কৃতৰ ঋ, ঐ আৰু ঔ — এই তিনিটা স্বৰধ্বনিৰ পালি-প্ৰাকৃতত কেনে ধৰণৰ পৰিৱৰ্তন হৈছে, উদাহৰণ সহ বুজাই লিখক।

(খ) উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসাৰে সংস্কৃত আৰু পালি-প্ৰাকৃতৰ ব্যঞ্জন ধ্বনিসমূহৰ দুখন তালিকা প্ৰস্তুত কৰক।

(গ) সংস্কৃতত সৰল স্বৰৰ গুণগত পৰিৱৰ্তনৰ কি কি ক্ৰম পোৱা যায়? এই ক্ৰম পালি-প্ৰাকৃত-অপভ্ৰংশত কেনেদৰে পৰিৱৰ্তিত হৈছে, উদাহৰণসহ বিশ্লেষণ কৰক।

(ঘ) সংস্কৃতত কেইপ্ৰকাৰৰ লিঙ্গ পোৱা যায়? পালি-প্ৰাকৃত-অপভ্ৰংশত সংস্কৃত-লিঙ্গ-পদ্ধতিৰ কেনেধৰণৰ পৰিৱৰ্তন ঘটিছে, তুলনা কৰি দেখুৱাওক।

(ঙ) সংস্কৃতত 'তিঙ্' বিভক্তিবোৰক ল-কাৰ বোলাৰ কাৰণ কি? পালি-প্ৰাকৃতত সংস্কৃতৰ ল-কাৰসমূহ কিমান দূৰ ৰক্ষিত হৈছে, চমুকৈ উল্লেখ কৰক।



৪. তলৰ যিকোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৪০০ টা শব্দৰ ভিতৰত) ১০×৪ = ৪০

(ক) মধ্য ভাৰতীয় আৰ্যভাষাৰ সাধাৰণ বৈশিষ্ট্যবোৰ উদাহৰণসহ ফঁহিয়াই বিশ্লেষণ কৰক।

(খ) সংস্কৃতৰ শব্দ-বিভক্তিবোৰৰ এখন তালিকা কৰি পালি-প্ৰাকৃতৰ শব্দ-বিভক্তিবোৰৰ সৈতে সিবোৰৰ এটি তুলনা দাঙি ধৰক।

(গ) সংস্কৃতৰ মুখ্য ধাতুবোৰৰ সৈতে পালি-প্ৰাকৃতত প্ৰয়োগ হোৱা মুখ্য ধাতুবোৰৰ এটি তুলনামূলক আলোচনা আগবঢ়াওক।

(ঘ) 'গাহাসত্তসই'ৰ মাজেৰে কেনে ধৰণৰ প্ৰেমৰ চিত্ৰ অঙ্কিত হৈছে, আপোনাৰ পাঠ্য গাথাকেইটাৰ আধাৰত বিচাৰ কৰক।

(ঙ) দূতকাব্য হিচাপে 'সন্দেশ ৰাসক'ৰ এটি মূল্যায়ন আগবঢ়াওক।

(চ) 'কীৰ্তিলতা' কাব্যত ইতিহাস কিমান দূৰ বিধৃত হৈছে, বিশ্লেষণ কৰি দেখুৱাওক।

** ** **